# অসম জাতীয় বিদ্যালয়ত ‘ভূপেন হাজৰিকা দিৱস’ উদ্‌যাপন

নুনমাটি, গুৱাহাটী ৫ নৱেম্বৰ, ২০১৫ চন : নুনমাটিস্থিত অসম জাতীয় বিদ্যালয়ত আজি ড° ভূপেন হাজৰিকাদেৱৰ চতুৰ্থ মৃত্যুবাৰ্ষিকীৰ লগত সংগতি ৰাখি ‘ভূপেন হাজৰিকা দিৱস’ উদ্‌যাপন কৰা হয়। অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয় সুধাকণ্ঠ ভূপেন হাজৰিকাদেৱৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্জ্বলনেৰে। বন্তি প্ৰজ্জ্বলন কৰে বিদ্যালয়ৰ ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকাদেৱে। তেখেতৰ বক্তব্যত সুধাকণ্ঠগৰাকীৰ ছাত্ৰ জীৱনৰেপৰা আৰম্ভ কৰি সমগ্ৰ জীৱন কালছোৱাৰ কিছুমান বিশেষ বিশেষ দিশৰ বিষয়ে আলোকপাত কৰি শিক্ষক, শিক্ষাৰ্থী আৰু উপস্থিত সকলোকে উৎসাহিত কৰে। এই অনুষ্ঠানতে দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থী হিমাদ্ৰী দাসে ‘ড° ভূপেন হাজৰিকা মানুহজন আৰু তেখেতৰ গীত’ আৰু শিক্ষক ভাস্কৰজ্যোতি হালৈয়ে ‘ড° হাজৰিকাদেৱৰ গীতত স্বদেশ প্ৰেম’ সম্পৰ্কে এটি বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানত বিদ্যালয়ৰ শিক্ষয়িত্ৰী বৰ্ণালী দাসে সুধাকণ্ঠৰ ৰচিত এটি গীত পৰিবেশন কৰে লগতে জ্যেষ্ঠ শিক্ষক অসীম কৃষ্ণ বৰুৱা আৰু যুথিকা পাটোৱাৰীয়ে যুটীয়াভাৱে সুধাকণ্ঠৰ ৰচিত এটি কবিতা আবৃত্তি কৰে। অনুষ্ঠানৰ মুখ্য অতিথি গীতিকাৰ, সুৰকাৰ আৰু বিশিষ্ট গায়ক দিলোৱাৰ মতিনদেৱে কথা আৰু গীতেৰে সুধাকণ্ঠগৰাকীক সোঁৱৰণ কৰাৰ লগতে উপস্থিত সকলোকে মন্ত্ৰমুগ্ধ কৰি ৰাখে। অনুষ্ঠানত বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীয়ে ড° হাজৰিকাদেৱৰ ৰচিত বিভিন্ন গীতত নৃত্য আৰু গীত পৰিবেশন কৰে। অনুষ্ঠানৰ শেষত অধ্যক্ষ ঘনশ্যাম মেধিয়ে স্বনামধন্য শিল্পীগৰাকীক সোঁৱৰণ কৰি অনুষ্ঠানত উপস্থিত সকলোকে ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানটিৰ আঁত ধৰে একাদশ শ্ৰেণীৰ শিক্ষাৰ্থী অৰিন্দম দত্ত আৰু নিয়ৰ হাজৰিকাই। সমগ্ৰ অনুষ্ঠানটিৰ পৰিচালনাৰ দায়িত্বত থাকে শিক্ষয়িত্ৰী অলকা গোস্বামীয়ে।

ঘনশ্যাম মেধি

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়
০৫/১১/২০১৫